# পৌল-তীমথিয়ৰ অধ্যয়নবোৰ কেনেদৰে ব্যৱহাৰ কৰিব পাৰি

## আৰম্ভ কৰা হৈছে

Download P-T studies freely from www.Paul-Timothy.net.

**১। আপোনাৰ প্ৰয়োজনত খাপ খোৱাকৈ কেনেদৰে অধ্যয়নবোৰ বাচিব**

- আপোনাৰ চলাওঁতাৰ পৰা পৌল-তীমথিয়ৰ এটা কপি বিচাৰি ল'ব অথবা সম্ভৱ হ'লে পৌল-তীমথিয় নেটৰ পৰা ছপা কৰিব পৰা কপি উলিয়াই লব।
- গোটেই অধ্যয়নক ১৬টা পৰিচৰ্য্যাত ভাগ কৰা হৈছে (লগতে এটা পাতনি দি)। তেওঁৰ মণ্ডলীৰ বৰ্তমানৰ প্ৰয়োজন অনুযায়ী প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ বাবে একোটাকৈ অধ্যয়ন বাচি লওঁক।
- প্ৰয়োজনৰ লগত সম্বন্ধ থকা অধ্যয়নৰ পৰিচৰ্য্যাক প্ৰথমে বিচাৰি ল'ব। উদাহৰণ স্বৰূপে, যদিহে ছাত্ৰ-ছাত্ৰীক তেওঁলোকৰ উপাসনাৰ স্তৰ বৃদ্ধি কৰিব বিচৰে, তেনেহ'লে "আৰাধনা / উপাসনা" লগত সম্বন্ধ থকা অধ্যয়ন বিচাৰি লওঁক।
- পৃথক পৃথককৈ গোটাই থোৱা প্ৰত্যেক পৰিচৰ্য্যাৰ অধ্যয়ন কৰক, যাতে যেন আপুনি সহজতে বিচাৰি পায়।

**২। কম্পিউটাৰত উলিয়াই ল'ব পৰা সকলৰ বাবে পৰিচৰ্য্যাৰ User's Menu বিভিন্ন বিষয়ৰ অধ্যয়নবোৰ দিয়া আছে।**

- প্ৰতিটো পৰিচৰ্য্যা দিশৰ অধ্যয়নৰ কেইবাটাও গোট দিয়া আছে। উদাহৰণস্বৰূপে, "উপাসনা" পৰিচৰ্য্যাত প্ৰভু-ভোজ, যীচুৰ পুনৰুত্থানৰ উদ্‌যাপন আৰু উপাসনাৰ আন বিষয় বিলাক।
- প্ৰত্যেক গোটত পালক আৰু ল'ৰা-ছোৱালীৰ বাবে অধ্যয়ন আছে। দুয়োটা অধ্যয়নৰে একে বিষয় বয়সীয়া সকলে শিকিবলগীয়া এটি কাহিনীৰ লগত সম্বন্ধ থকা বিষয়টো ল'ৰা-ছোৱালীয়ে আগতীয়াকৈ প্ৰস্তুত হোৱাত ই সহায় কৰিব। উপাসনাৰ সময়ত বয়সীয়া সকলৰ কাৰণে ল'ৰা-ছোৱালীয়ে বাইবেলৰ কাহিনী নাটক কৰি দেখুৱাব পাৰে।
- ৰখীয়া / পালকৰ অধ্যয়নত 'ৰখীয়া / পালক' শব্দ ওপৰত উল্লেখ কৰা আছে। তেওঁলোকৰ অধ্যয়নৰ নম্বৰৰ অন্তত 'a' উদাহৰণ স্বৰূপে 'A1a' লিখা আছে।
- ল'ৰা-ছোৱালীৰ অধ্যয়নত 'ল'ৰা-ছোৱালী' শব্দ ওপৰত উল্লেখ কৰা আছে। তেওঁলোকৰ অধ্যয়নৰ সংখ্যাৰ অন্তত 'b' উদাহৰণ স্বৰূপে 'A1b' লিখা আছে।
- কিছুমান থোকৰ লগত বিষয়বস্তুৰ অধিক জানিবৰ বাবে ওপৰঞ্চি অধ্যয়ন দিয়া আছে। সেই অধ্যয়ন বিলাক c, d অথবা e আখৰেৰে শেষ কৰা আছে।
- নতুন ৰখীয়া / পালকৰ অধ্যয়নে পিছৰ সপ্তাহৰ কাম-কাজ আৰু উপাসনা এই দুয়োৰে আঁচনি প্ৰস্তুত কৰাত সহায় হয়।

**৩। 'Getting Started' অধ্যয়ন ব্যৱহাৰ কৰি পৌল-তীমথিয় চলাওঁতাৰ প্ৰশিক্ষণৰে আৰম্ভ কৰক ঃ**

- প্ৰশিক্ষকসকলে নতুন পালকবিলাকৰ প্ৰশিক্ষণৰ নিৰ্দ্দেশাৱলীবোৰ ব্যৱহাৰ কৰক সম্ভৱ হ'লে www.Paul-Timothy.net study number 'A0f' চাব পাৰে।
- পালক ছাত্ৰসকলে নতুন পালক সকলক প্ৰশিক্ষণ দিয়া নিৰ্দেশাৱলী ব্যৱহাৰ কৰক, সংখ্যা 'A0a'.
- আটাই নতুন পালকৰ অধ্যয়নৰ সংখ্যাবোৰ 'a' আখৰৰে সামৰণি পৰিছে।
- ল'ৰা-ছোৱালীৰ শিক্ষকসকলে ল'ৰা-ছোৱালীৰ শিক্ষকৰ নিৰ্দ্দেশাৱলী ব্যৱহাৰ কৰক, সংখ্যা 'A0b'.
- ল'ৰা-ছোৱালীৰ আটাই অধ্যয়নৰ শেষ 'b' আখৰেৰে হৈছে।
- উপাসনা চলাওঁতা সকলে দলীয় উপাসনা চলোৱা বিলাকৰ নিৰ্দেশাৱলী ব্যৱহাৰ কৰক, সংখ্যা 'A0e'.
- আন পৰিচৰ্য্যাকাৰী সকলে ডিকন, মহিলা ডিকন, সৰু সৰু দলৰ চলাওঁতা আৰু সপ্তাহটোত বিভিন্ন পৰিচৰ্য্যাৰ কাম কৰা সকলৰ নিৰ্দেশাৱলী ব্যৱহাৰ কৰক, সংখ্যা 'A0d'.

- কৰ্ম্মকৰ্ত্তা যিজনে পৌল-তীমথিয় প্ৰশিক্ষণৰ যো-জা কৰে, তেওঁলোকে পৌল-তীমথিয় ৱৰ্কচপৰ কাৰ্য্য প্ৰণালী ব্যৱহাৰ কৰক। আপুনি ইয়াক বিনাদামে www.Paul-Timothy.net ৰ পৰা চাব পাৰে। 'ৱৰ্কচপ্ মেনুৱেল' বাওঁফালে দিয়াত ক্লিক্ কৰিলে পাব।

**৪। পৌল-তীমথিয় অধ্যয়নে পৰম্পৰৰ কাৰ্য্য, উপাসনা সম্বন্ধীয় কাম কাজৰ আঁচনি কৰাত আপোনাক সহায় কৰিব।**

উপাসনা সময় প্ৰস্তুত কৰাত পৌল-তীমথিয় ব্যৱহাৰ কৰক য'ত অনেক লোকে আনকি ল'ৰা-ছোৱালীয়েও ঘৰুৱা পৰিবেশত ভাগ লব পাৰিব। লোকবিলাকৰ মাজত সম্বন্ধ থকা সভাবিলাকত পবিত্ৰ আত্মাই অধিক শক্তিশালীৰূপে কাম কৰে।

**৫। পৌল-তীমথিয় অধ্যয়ন বিলাকত সহজে জেপত ভৰাই ল'ব পৰাকৈ ছপা কৰিব পাৰে।**

অধ্যয়নখিনি এখন ফৰ্মত ছপা কৰিব পাৰে যাতে যেন সহজে ব্যৱহাৰ কৰিব পাৰে। নতুন পৰিচাৰক আৰু ল'ৰা-ছোৱালীৰ অধ্যয়নখিনি একেখন কাগজতে দুয়ো পিঠিত ছপা কৰি দিব পাৰে। ইয়াতে একেখন কাগজত চাৰি পৃষ্ঠা পাব।




নতুন পৌল-তীমথিয় অধ্যয়নত আপোনাৰ প্ৰয়োজন স্পষ্ট কৰি দিব পাৰে। পৌল-তীমথিয়ৰ লিখকক আপুনি আপোনাৰ অন্য অধ্যয়নৰ বিষয়ে প্ৰয়োজন হ'লে, সেইদৰে লিখি দিব পাৰে। আপোনাৰ প্ৰয়োজন আপোনাৰ চলাওঁতাক জনাওঁক, যাতে যেন তেওঁ পৌল-তীমথিয়ৰ লিখকক জনাব পাৰে।

- পৌল-তীমথিয়ৰ পাঠমালা কেতিয়াও নিৰ্দিষ্ট নহয়, কাৰণ নতুন অধ্যয়ন বিলাক ইয়াত যোগ কৰা হ'ব অথবা আপোনাৰ মণ্ডলীৰ প্ৰয়োজন সাপেক্ষে ইয়াক আৰু উন্নত কৰিব পাৰে।
- পৌল-তীমথিয় সম্পূৰ্ণ হ'লে ইয়াৰ ওপৰঞ্চি অধ্যয়নবিলাক ছপা কৰিব। সম্ভৱ হ'লে বিনামূলীয়াকৈ দিয়া অধ্যয়নৰ website : www.Paul-Timothy.net আপুনি চাব পাৰে।

**৬। পৌল-তীমথিয় অধ্যয়ন কপি কৰা অথবা অনুবাদ কৰাত কোনো প্ৰতিবন্ধক নাই।**

- এই সৰু পুথিখন আৰু ইয়াৰ সজুঁলিবোৰ বিনামূলীয়াকৈ বিতৰণ অথবা পইচা দিও দিব পাৰে।

  অনুগ্ৰহ কৰি তলত উল্লেখ কৰা বিবৰণ দিয়কঃ

Copyright © 2004 by Paul-Timothy

- এই সজুঁলিবোৰ ছপা কৰা, বিক্ৰী কৰা অথবা যিকোনো ভাষাত বিতৰণ কৰা কাৰো একচেতীয়া অধিকাৰ নাই।

Copyright © 2004 by Paul-Timothy. Download Paul-Timothy studies freely from www.Paul-Timothy.net.